**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলকাতাৰ বিজয় দুৰ্গৰ সেনা বাহিনীৰ পূব কামাণ্ড মুখ্য কাৰ্যালয়ত সংযুক্ত কমাণ্ডাৰ্ছ সকলৰ সন্মিলন উদ্বোধন কৰিব।

২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে AI তীব্ৰগতিত ধাৱমান হ'লে ইয়াৰ নীতি-নিৰ্দেশনাসমূহেও সমানেই গতি কৰিব লাগিব।

৩। নেপালৰ প্ৰধানমন্ত্ৰী সুশীলা কাৰ্কিয়ে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটাইছে।

৪। খ্যাতনামা অভিযন্তা, শিক্ষাবিদ, ভাৰতৰত্ন সন্মানেৰে সন্মানিত এম বিশ্বেশ্বৰীয়াৰ জয়ন্তী উপলক্ষে আজি অভিযন্তা দিৱস পালন কৰা হৈছে।

আৰু

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত ভাৰতে পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলকাতাৰ বিজয় দুৰ্গৰ সেনা বাহিনীৰ পূব কামাণ্ড মুখ্য কাৰ্যালয়ত সংযুক্ত কমাণ্ডাৰ্ছ সকলৰ সন্মিলন উদ্বোধন কৰিব। অহা ১৭ ছেপ্তেম্বৰত এই সন্মিলনৰ সামৰণি পৰিব। তিনিদিনীয়া এই সন্মিলনত প্ৰযুক্তিগত বিকাশ, সেনা বাহিনীৰ তিনিওটা বাহিনীৰ মাজৰ সহযোগিতা, আধুনিকীকৰণৰ লগতে বিশ্বৰ সাম্প্ৰতিক ৰাজনৈতিক পৰিস্থিতি সন্দৰ্ভত বিভিন্ন বিষয়ত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থাকিব। প্ৰধানমন্ত্ৰী মোদী দুদিনীয়া উত্তৰ-পূব ভ্ৰমণ সামৰি কালি সন্ধিয়া কলকাতাত উপস্থিত হয় আৰু নিশাটো তেওঁ কলকাতাৰ ৰাজভৱনত কটায়। এই ভ্ৰমণকালত শ্ৰীমোদীয়ে অসমত ১৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিহাৰৰ পুৰ্নীয়া জিলাত ৩৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বহুকেইটা প্ৰকল্প মুকলি কৰিব। তেওঁ লগতে উত্তৰ বিহাৰ নগৰত নতুনকৈ বিকশাই তোলা এটা বিমানবন্দৰ টাৰ্মিনেল মুকলি কৰি সেই খণ্ডৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰিব। এই ভ্ৰমণকালতে তেওঁ ৰাষ্ট্ৰীয় মাখনা পৰিষদ উদ্বোধন কৰিব। চলিত বৰ্ষৰ আৰম্ভণিতে কেন্দ্ৰীয় বাজেটত মাখনা পৰিষদ গঠন কৰাৰ কথা ঘোষণা কৰা হৈছিল। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে মাখনা আৰু বি-হাৰৰ বিশেষ সম্পৰ্ক আছে। ৰাষ্ট্ৰীয় মাখনা পৰিষদে এই খণ্ডৰ সৈতে জড়িত বহুসংখ্যক কৃষকক উপকৃত কৰিব বুলি শ্ৰীমোদীয়ে লগতে উল্লেখ কৰে।

0000000

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে কৃত্ৰিম বুদ্ধিমত্তা অৰ্থাৎ AI তীব্ৰগতিত ধাৱমান হ'লে ইয়াৰ নীতি-নিৰ্দেশনাসমূহেও সমানেই গতি কৰিব লাগিব। মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীত আজি বিকশিত ভাৰতৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় প্ৰতিবেদন মুকলি কৰি এই বিষয়ে প্ৰকাশ কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে AI-ৰ দ্ৰুত বিকাশ আৰু প্ৰসাৰক লৈ সতৰ্ক হ'বলৈ পৰামৰ্শ আগবঢ়াই কয়, যে জনসাধাৰণ সজাগ হোৱাৰ লগতে পুৰণি নীতিত খামোচ মাৰি ধৰি নাথাকি ৰূপান্তৰ ঘটাব লাগিব। জনসাধাৰণৰ বাসোপযোগী কৰি মহানগৰসমূহক গঢ়ি তোলাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ ভূমিকা আৰু সামৰ্থৰ বিষয়ে উল্লেখ কৰি তেওঁ কয়, যে কেইবাদশক ধৰি জনসাধাৰণে বিচাৰি থকা সমস্যাৰ সমাধান AI এ দিবলৈ সমৰ্থ হৈছে। এই অনুষ্ঠানত বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া বি ভি আৰ সুব্ৰমণিয়ম উপস্থিত আছিল।

000000000

নেপালৰ প্ৰধানমন্ত্ৰী সুশীলা কাৰ্কিয়ে আজি তেওঁৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটাইছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কুলমান ঘিছিঙক শক্তি, জলসম্পদ আৰু জলসিঞ্চন, ওমপ্ৰকাশ আৰিয়ালক গৃহ আৰু আইন, ৰামেশ্বৰ খানালক বিত্ত বিভাগৰ দায়িত্ব অৰ্পণ কৰে। শ্ৰী খানালে আজি বিত্তমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। বাস্তৱসন্মত নীতি প্ৰণেতা আৰু কাৰিকৰী বিশেষজ্ঞ হিচাপে সুখ্যাতি থকা খানালৰ সমবায় ক্ষেত্ৰৰ উন্নয়ন, ৰাজহ নীতি আৰু বাজেট পৰিকল্পনা ক্ষেত্ৰতো অৰিহণা হৈছে। একেদৰে শক্তিমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা কুলমান ঘিছিঙে দেশখনত শক্তিৰ দীৰ্ঘদিনীয়া নাটনি পূৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ২০১৬ চনত তেওঁ নেপাল বিদ্যুৎ প্ৰাধিকৰণৰ কাৰ্যবাহী সঞ্চালক হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ সময়ত দেশখনত ১৮ ঘণ্টা পৰ্যন্ত বিদ্যুৎ কৰ্তন হৈছিল যদিও তেওঁৰ নেতৃত্বত পৰিস্থিতিৰ সলনি হয়।

ওম প্ৰকাশ আৰিয়ালে আজি গৃহ আৰু আইনমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। তেওঁ জনস্বাৰ্থজড়িত বিভিন্ন আইনী যুঁজত সক্ৰিয়ভাৱে জড়িত হৈ থাকি জনসাধাৰণৰ আস্থাভাজন হৈ আহিছে।

ooooooooo

সেৱা আৰু সুশাসনৰ মূল মন্ত্ৰৰে পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে দেশৰ প্ৰগতি আৰু ৰূপান্তৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে। আজিৰ এই প্ৰতিবেদনত নমামী গংগা অভিযানৰ জৰিয়তে চৰকাৰে গংগা পুনৰুজ্জীৱিতকৰণৰ বাবে কিদৰে প্ৰয়াস কৰিছে, সেই বিষয়ে আলোকপাত কৰা হৈছে। পৱিত্ৰ, শাশ্বত গংগা ভাৰতৰ জীৱন ৰেখা হোৱাৰ লগতে ভাৰতীয় অৰ্থনীতিৰ প্ৰাণকেন্দ্ৰস্বৰূপ। ২০১৪ চনত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে আৰম্ভ কৰা নমামী গংগা কাৰ্যসূচী গংগা নৈৰ পুনৰুজ্জীৱিতকৰণৰ ক্ষেত্ৰত অভিলাসী আৰু সৰ্বাত্মক পদক্ষেপ হিচাপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে গংগা পৰিষ্কাৰকৰণ এক সৰ্বাত্মক প্ৰচেষ্টা বুলি অভিহিত কৰে। নমামী গংগা প্ৰদূষণ নিয়ন্ত্ৰণ ভৌগোলিক সুস্থিৰতা ৰক্ষা আৰু সামৰ্থ বৰ্ধনৰ উপৰি সামূহিক অংশগ্ৰহণৰ ক্ষেত্ৰত বহুমুখী পদক্ষেপ হিচাপে চিহ্নিত হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। এই অভিযানে নৈখনৰ পাৰিপাৰ্শ্বিক সমতা ৰক্ষা কৰাৰ উপৰি নৈপৰীয়া আৰু নৈখনক লৈ জীৱিকা নিৰ্বাহ কৰা বহু লোকৰ উপাৰ্জনৰ পথ প্ৰশস্ত কৰাৰ বিষয়তো গুৰুত্ব আৰোপ কৰিছে। প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা এই অভিযানৰ অধীনত পয়-প্ৰণালী ব্যৱস্থাৰ সামৰ্থ ২০১৪ চনতকৈ ৩০ গুণ বৃদ্ধি পাইছে। তদুপৰি গংগা নৈত থকা ডলফিনৰ সংখ্যাও পূৰ্বতকৈ ভালেমান বৃদ্ধি পাইছে। নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ পূৰ্বে অসম্ভৱ স্বপ্ন যেন লগা বিভিন্ন কাম-কাজ বাস্তৱত ৰূপায়িত হৈছে। উন্নয়নমূলক কাৰ্যৰ পৰা এসময়ত অৱহেলিত হৈ থকা পৱিত্ৰ গংগা এতিয়া নতুন ধাৰাৰে প্ৰৱহমান হৈছে।

ooooooooo

খ্যাতনামা অভিযন্তা, শিক্ষাবিদ, ভাৰতৰত্ন সন্মানেৰে সন্মানিত এম বিশ্বেশ্বৰীয়াৰ জয়ন্তী উপলক্ষে আজি অভিযন্তা দিৱস পালন কৰা হৈছে। দেশৰ উন্নয়ন আৰু কাৰিকৰী প্ৰগতিৰ ক্ষেত্ৰত অভিযন্তাসকলে আগবঢ়াই অহা অৰিহণাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি এই দিৱস উদযাপন কৰা হয়। এইবাৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'Deep tech. and Engineering excellence: Driving India's Techade'।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অভিযন্তা দিৱস উপলক্ষে আজি এম বিশ্বেশ্বৰীয়াৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তা যোগে শ্ৰী মোদীয়ে কয়, যে খ্যাতনামা অভিযন্তাগৰাকীৰ অসাধাৰণ বুদ্ধিমত্তাই ভাৰতীয় অভিযান্ত্ৰিক ক্ষেত্ৰত অম্লান স্বাক্ষৰ ৰাখি থৈ গৈছে। তেওঁ কয়, যে দেশৰ অভিযন্তাসকলে এখন বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত গ্ৰহণ কৰা সমন্বিত প্ৰচেষ্টাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে সৃজনীশীলতা আৰু দৃঢ়তাৰে বিভিন্ন ক্ষেত্ৰৰ কঠিন প্ৰত্যাহ্বান গ্ৰহণ কৰি ন ন উদ্ভাৱন কৰি যোৱা অভিযন্তাসকলক এই দিৱস উপলক্ষে অভিনন্দন জ্ঞাপন কৰিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অভিযন্তা দিৱস উপলক্ষে দেশৰ অভিযন্তাসকলক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ কয়, যে কিংবদন্তি অভিযন্তা এম বিশ্বেশ্বৰীয়াই দেশক ৰূপান্তৰৰ পথলৈ লৈ যাবলৈ সমৰ্থ হৈছিল। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ নিজৰ উদ্ভাৱন আৰু সামৰ্থ্যৰে দেশৰ কাৰিকৰী ক্ষেত্ৰত উত্তৰণ ঘটোৱা অভিযন্তাসকলক অভিনন্দন জ্ঞাপন কৰে।

ooooooooo

ধন লেনদেনৰ বাবে UPI ব্যৱহাৰ কৰা সকলে আজিৰ পৰা এদিনত সৰ্বাধিক দহলাখ টকাৰ বাণিজ্যিক লেনদেন কৰিব পাৰিব। এজন ব্যৱহাৰকাৰীয়ে বাণিজ্যিকভাৱে UPI ব্যৱহাৰ কৰা আন এগৰাকীলৈ এদিনতে সৰ্বাধিক ১০ লাখ টকাৰ লেন-দেন কৰাৰ সুবিধা লাভ কৰিব। ভাৰতীয় ৰাষ্ট্ৰীয় ধনাদায় নিগম – NPCI-এ বিগত মাহত জাৰি কৰা জাননী অনুসৰি

ভাৰতীয় UPI ব্যৱহাৰকাৰীসকলৰ বাবে অধিক পৰিমাণৰ ধনৰ ডিজিটেল লেনদেন সুচল তথা অধিক সুৰক্ষিত কৰি তোলাৰ বাবে নতুন UPI নীতিসমূহ নির্ধাৰণ কৰা হৈছে। অৱশ্যে UPI ৰ জৰিয়তে ব্যক্তিগত লেনদেনসমূহৰ ক্ষেত্ৰত সর্বোচ্চ সীমা দৈনিক ১ লাখ টকা বাহাল ৰখা হৈছে।

ooooooooo

সেৱা পৰ্ব উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি বিয়লি ৩ বাজি দুই মিনিটত প্ৰতিৰক্ষা ক্ষেত্ৰত ভাৰতৰ আত্মনির্ভৰশীলতা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰিব। এই আলোচনাত ভাগ ল'ব অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooooooo

এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাত ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি নিশা অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত ভাৰতে পাকিস্তানক ৭ উইকেটত পৰাস্ত কৰে। ভাৰতে ১২৮ ৰানৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ ৫টা বলত তিনিটা উইকেট হেৰুৱাই ১৩১ ৰান কৰে। অপেনাৰ অভিষেক শৰ্মাই ১৩টা বলত ৩১ ৰান কৰাৰ লগতে অধিনায়ক সূর্যকুমাৰ যাদৱ ৪৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু নির্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১২৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ যাদৱে ৩টা, আৰু যশপ্ৰীত বুমৰাহ আৰু অক্ষৰ পেটেলে দুটাকৈ উইকেট লাভ কৰে। ভাৰত কাইলৈ হংকঙৰ বিৰুদ্ধে অৱতীর্ণ হ'ব।

ooooooo

সমাপ্ত